# অসম বিধান সভা

তৰা বিহীন প্ৰশ্ন নং- ৩২১
বিধায়কৰ নাম- শ্ৰীদেৱব্ৰত শইকীয়াঃ
উত্তৰ দিয়াৰ তাৰিখ- ২৯/০৩/২০২২

*বিষয়ঃ* **নাজিৰা সীমা নিৰ্ধাৰণ সন্দৰ্ভত**

মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২৪-০৯-২০১৮ তাৰিখে অসম বিধান সভাৰ তৰাবিহীন প্ৰশ্ন নং ৪৮ত উল্লেখ কৰা অনুসৰি শিৱসাগৰ আৰু চৰাইদেউ দুয়োখন জিলাৰ সীমা নিৰ্ধাৰণ কৰি দাখিল কৰিবলগীয়া প্ৰতিবেদন দাখিল কৰা হ'ল নে ?

(খ) জাননী অবিহনে নীতি বহিৰ্ভূতভাৱে হৈ থকা নাজিৰা মহকুমাৰ অন্তৰ্গত চুকাফা আৰু লেনিবৰ গাঁও পঞ্চায়তৰ কামসমূহ নীতি অনুসৰি কৰাৰ বাবে অসম বিধান সভাত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰা হ'ল নে ?

উত্তৰ-

সাধাৰণ প্ৰশাসন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাস মহোদয়ে উত্তৰ দিব -

(ক) চৰাইদেউ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সীমা নিৰ্ধাৰণ সন্দৰ্ভত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ নং WP(C) 8036/2018 ৰ জৰিয়তে এক গোচৰ চলি আছে।

বিষয়টো মহামান্য ন্যায়ালয়ৰ বিবেচনাধীন হৈ থকাৰ বাবে সীমা নিৰ্ধাৰণ প্ৰতিবেদন দাখিলৰ প্ৰস্তাৱ পোৱা নাই।

(খ) শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি নাজিৰা মহকুমাৰ অন্তৰ্গত চুকাফা আৰু লেনিবৰ গাঁও পঞ্চায়তৰ কাম-কাজ সমূহ নাজিৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ পৰা পৰিচালিত হয়। চূড়ান্ত অনুমোদন সম্বন্ধীয় বিষয়বোৰৰ বাবেহে চৰাইদেউ জিলালৈ প্ৰেৰণ কৰা হয়।

---------- ।। ---------